ভাৰতীয় জনতা পাৰ্টি

(কেন্দ্ৰীয় কাৰ্য্যালয়)

১১,অশোকা ৰোড নতুন দিল্লী -১১০০০১

দূৰভাষ নং - ২৩০০৫৭০০; ফেক্স - ২৩০০৫৭৮৭

দিনাংক - ৩০ জানুৱাৰী ২০১৪

বি জে পি ৰ মুখপাত্ৰ আৰু সংসদৰ সদস্য শ্ৰীযুত প্ৰকাশ জাভেদকাৰৰ দ্বাৰা জাৰী কৰা প্ৰেছ বিজ্ঞপ্তি

১. ৰিজাৰ্ভ বেংক অফ ইণ্ডিয়াই বেংক ৰেট ০.২৫ বেচিক প'ইণ্টচ্ বৃদ্ধি কৰাৰ শেহতীয়া সিদ্ধান্তয়ে মূল্যবৃদ্ধি হ্ৰাস কৰাৰ বিপৰীতে মূল্যবৃদ্ধিত জুইহে লাগিব । ইউ পি এ চৰকৰেও বেংক ৰেট, চি আৰ আৰ, ৰেপ' ৰেট আৰু ৰিজাৰ্ভ ৰেপ' ৰেট বহুত বাৰ বৃদ্ধি কৰাৰ পাছতো কোনো ধৰণৰ ভাল ফলাফল লাভ কৰা নাই । মূদ্ৰাস্ফীতি ৰোধ কৰাৰ বাবে চৰকাৰে এতিয়াও সূদৰ হাৰ উন্নত কৰি চাহিদা নিয়ন্ত্ৰণ কৰাৰ কৌশল পৰ্য্যন্তহে সীমিত আছে ।

এন ডি এ য়ে যেতিয়া শাসন এৰিছিল, যেতিয়া বেংক ৰেট আৰু ৰেপ' ৰেট ৬ শতাংশ আছিল, যি হাৰ ইউ পি এ চৰকাৰ থাকোতে বৃদ্ধি হৈ ৯ শতাংশ হৈছেগৈ । ইয়াৰ বাবে সূদৰ হাৰ বৃদ্ধি হৈছে যি ৰপ্তানি উদ্যোগৰ বাবে ক্ষতিকৰ আৰু মধ্যম বৰ্গৰ লোকৰ ই এম আই বৃদ্ধিহে কৰিছে । উচ্চ বিত্তীয় মূল্যই অৰ্থনীতিৰ সকলো দিশতে বেয়াকৈ প্ৰভাৱ পেলাইছে ।

ইউ পি এ চৰকাৰে কেতিয়াও যোগানৰ বিষয়টোক সমাধান নকৰাৰ বাবে মূদ্ৰাস্ফীতি ৰোধ কৰা অক্ষম হৈছে । শ্ৰীযুত মনমোহন সিঙ আৰু শ্ৰীযুত চিদাম্বৰমৰ অৰ্থনীতিক পুন:জীৱিত কৰাৰ বাবে লোৱা সিদ্ধান্তৰ এইয়াই প্ৰমাণ ।

২. কংগ্ৰেছ চৰকাৰে বিচাৰিছে যে সাহাৰ্য্য যুক্ত এল পি জি চিলিণ্ডাৰ প্ৰত্যেক বছৰে ৯ ৰ পৰা ১২ টা লৈকে কৰা ঘোষণাৰ বাবে জনসাধাৰণ প্ৰফুল্লিত হ'ব লাগে । দেশৰ জনসাধাৰণে কংগ্ৰেছ দ'লক আদৰাৰ বিপৰীতে এটা প্ৰশ্নহে উত্থাপন কৰিছে যে প্ৰথম অৱস্থাত ৬ টা চিলিণ্ডাৰ কোনে নিৰ্ধাৰণ কৰিছিল ? সকলো বস্তুৰে মূল্যবৃদ্ধি হোৱাৰ পাছত এল পি জি চিলিণ্ডাৰ ৬ টা লৈ কৰা সিদ্ধান্তয়ে সম্পূৰ্ণ ভাৱে দেশৰ জনসাধাৰণৰ বিৰুদ্ধে আছিল । দেশৰ জনসাধাৰণে এই কথা কেতিয়াও পাহৰি নাযায় আৰু ইউ পি এ চৰকাৰক ইয়াৰ বাবে কেতিয়াও ক্ষমা

নকৰে । জুলাই ২০১২ ৰ লৈকে সকলো পৰিয়ালে জৰুৰী এল পি জি চিলিণ্ডাৰ সাহাৰ্য্যিত মূল্যত লাভ কৰিছিল । ইউ পি এ চৰকাৰে আগষ্ট ২০১২ চনত এই ব্যৱস্থা উঠাই লয় ।

এন ডি এ চৰকাৰে যেতিয়া নিজৰ শাসনকাল এৰিছিল তেতিয়া সাহাৰ্য্যিত এল পি জি চিলিণ্ডাৰৰ মূল্য ২৪৪ টকা যি এতিয়া ৪১৫ টকাত পোৱা যায়, আৰু জনসাধাৰণে মুকলি বজাৰৰ পৰা ১২৪১ টকাত এটা চিলিণ্ডাৰ ক্ৰয় কৰিব লগা হয় । বহুত প্ৰচাৰ কৰা ডি বি টি এতিয়াও বহুত পৰিয়ালে পোৱাগৈ নাই আৰু সুবিধাও লাভ কৰিব পৰা নাই ।

ই আৰ অৰুণ কুমাৰ জৈন
কাৰ্য্যলয় সচিব